**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-03-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

**:::::::::::::::::::::::::::::::::::::::::**

১। পশ্চিম এছিয়াত সংঘাট চলি থকা সত্বেও ভাৰতত শক্তি সুৰক্ষাৰ ক্ষেত্ৰত কোনো শংকাৰ কাৰণ নাই বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

২। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে টি বি মুক্ত ভাৰত অভিযানৰ অধীনত ৰোগীৰ স্বাস্থ্যৰ উন্নতি নিশ্চিত কৰাৰ ক্ষেত্ৰত দেশে উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে।

৩। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইৰাণৰ বাবে হৰমুজ প্ৰণালী পুনৰ মুকলিৰ বাবে সময়সীমা ৫ দিন বৃদ্ধি কৰাৰ কথা ঘোষণা কৰিছে।

৪। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি শ্ৰীলংকাৰ সংসদীয় প্ৰতিনিধি দলক সাক্ষাৎ কৰে। ***আৰু***

৫। আজি বিশ্ব বতৰ বিজ্ঞান দিৱস। এইবাৰৰ দিৱসৰ বিষয় হৈছে – ‘আজিৰ পৰ্যবেক্ষণ, কাইলৈৰ সুৰক্ষা’।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, পশ্চিম এছিয়াত সংঘাট চলি থকা সত্বেও ভাৰতত শক্তি সুৰক্ষাৰ ক্ষেত্ৰত কোনো শংকাৰ কাৰণ নাই। আজি লোকসভাত ভাৰতৰ স্থিতি ব্যাখ্যা কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে সমগ্ৰ দেশতে পেট্ৰল আৰু ডিজেলৰ যোগান সুচল হৈ আছে। ভাৰতত ৫৩ লাখতকৈও অধিক পেট্ৰলিয়াম সামগ্ৰী মজুত আছে বুলি তেওঁ দৃঢ়তাৰে উল্লেখ কৰে। বৰ্তমান দেশে ৬৫ লাখ মেট্ৰিকটনতকৈ অধিক পেট্ৰলিয়াম সামগ্ৰী মজুতৰ বাবে কাম কৰি আছে বুলি মোদীয়ে সদনত উল্লেখ কৰে। চৰকাৰে দেশৰ বিভিন্ন যোগানকাৰীৰ সৈতে যোগাযোগ অব্যাহত ৰাখিছে আৰু সম্ভৱত সকলো উৎসৰ পৰা তেল আৰু গেছৰ যোগান অব্যাহত ৰখাৰ বাবে প্ৰচেষ্টা চলাই আছে বুলি তেওঁ জানিবলৈ দিয়ে। প্ৰধানমন্ত্ৰীয়ে কয় যে ৩ সপ্তাহতকৈ অধিক সময় ধৰি চলি থকা এই সংঘাটে বিশ্ব অৰ্থনীতি আৰু জনসাধাৰণৰ জীৱনত শোচনীয় প্ৰভাৱ পেলাইছে। বৰ্তমানৰ পৰিস্থিতিৰ ওপৰত লক্ষ্য ৰাখি বিশ্বই এই সংঘাটৰ সমাধানৰ বাবে সকলো পক্ষকে আহ্বান জনাইছে বুলিও তেওঁ জানিবলৈ দিয়ে। এই পৰিস্থিতিত দেশ বিদেশত থকা ভাৰতীয়সকলক চৰকাৰে সুৰক্ষা প্ৰদান কৰিব বুলিও তেওঁ আশ্বাস প্ৰদান কৰে। এতিয়ালৈ প্ৰায় ৩ লাখ ৭৫ হাজাৰতকৈ অধিক ভাৰতীয় নিৰাপদে ভাৰতলৈ উভতি আহিছে আৰু ইৰাণৰ পৰা এতিয়ালৈকে প্ৰায় ১ হাজাৰ ভাৰতীয় নিৰাপদে উভতি আহিছে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ভাৰতৰ লগতে অন্যান্য ক্ষতিগ্ৰস্ত দেশসমূহত ২৪ ঘণ্টাই সক্ৰিয় নিয়ন্ত্ৰণকক্ষ আৰু জৰুৰীকালীন হেল্পলাইন স্থাপন কৰা হৈছে বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে কয় যে চৰকাৰ সম্ভৱপৰ সকলো পৰিস্থিতিৰ মুখামুখি হবলৈ সম্পূৰ্ণৰূপে সাজু হৈ আহিছে। ভাৰতে প্ৰয়োজনীয় ৬০ শতাংশ ৰন্ধন গেছৰ মজুত কৰি ৰাখিছে বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে যোগানৰ অনিশ্চয়তাৰ বাবে চৰকাৰে ঘৰুৱা ব্যৱহাৰৰ বাবে ৰন্ধন

গেছৰ উপলব্ধতা নিশ্চিত কৰাৰ লগতে ইয়াৰ উৎপাদন বৃদ্ধিৰ বাবেও চেষ্টা অব্যাহত ৰাখিছে। আমদানি আৰু ৰপ্তানিৰ ক্ষেত্ৰত প্ৰত্যাহ্বানসমূহ মূল্যায়ন আৰু প্ৰয়োজনীয় সমাধানৰ বাবে এটা আন্তঃমন্ত্ৰালয়ৰ গোট গঠন কৰা হৈছে বুলি তেওঁ কয়। দেশৰ খাদ্য সামগ্ৰী ভালদৰে মজুত ৰাখিছে বুলিও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃষকসকলে নিশচয়তা প্ৰদান কৰে।

ooooo

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে বিশ্ব যক্ষ্মা দিৱসৰ প্ৰাকক্ষণত কয় যে যক্ষ্মা ৰোগে জনস্বাস্থ্যৰ বাবে প্ৰত্যাহ্বানৰ সৃষ্টি কৰি আহিছে। সমগ্ৰ বিশ্বতে যক্ষ্মা ৰোগে লাখ লাখ লোকৰ জীৱন প্ৰভাৱিত কৰি আহিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এটা বাৰ্তাযোগে যক্ষ্মা ৰোগৰ প্ৰত্যাহ্বানসমূহৰ প্ৰতি বিশ্বব্যাপি সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে ২৪ মাৰ্চৰ দিনটো বিশ্ব যক্ষ্মা দিৱস হিচাপে পালন কৰাৰ বাবে সন্তুষ্টি প্ৰকাশ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে যে টি বি মুক্ত ভাৰত অভিযানৰ অধীনত আগতীয়াকৈ ৰোগৰ কাৰণ নিৰ্নয়, বিনামূলীয়া চিকিৎসা প্ৰদান, ৰোগীৰ উপযুক্ত পুষ্টি যোগান আৰু ৰোগীৰ স্বাস্থ্যৰ উন্নতি নিশ্চিত কৰাৰ ক্ষেত্ৰত উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এই দিৱসৰ প্ৰাকক্ষণত যক্ষ্মা ৰোগ চিৰদিনলৈ শেষ কৰাৰ বাবে সামুহিক সংকল্পৰে একগোট হৈ কাম কৰিবলৈ আহ্বান জনাইছে।

ooooo

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইৰাণৰ বাবে হৰমুজ প্ৰণালী পুনৰ মুকলিৰ বাবে সময়সীমা ৫ দিন বৃদ্ধি কৰাৰ কথা ঘোষণা কৰিছে। সামাজিক মাধ্যমৰ বাৰ্তাযোগে তেওঁ লগতে আমেৰিকাই ৫ দিনৰ বাবে বিদ্যুৎ কেন্দ্ৰৰ আক্ৰমণ স্থগিত ৰাখিব বুলি ঘোষণা কৰিছে। শেহতীয়াকৈ আমেৰিকা আৰু ইৰাণৰ বিষয়াসকলৰ মাজত হোৱা ফলপ্ৰসূ আলোচনাই সংঘাট  সম্পূৰ্ণৰূপে সমাধান কৰাত সহায়ক হ'ব বুলি ট্ৰাম্পে আশা প্ৰকাশ কৰিছে।

ooooo

আজি বিশ্ব বতৰ বিজ্ঞান দিৱস। এইবাৰৰ এই দিৱসৰ বিষয় হৈছে – 'আজিৰ পৰ্যবেক্ষণ, কাইলৈৰ সুৰক্ষা'। ১৯৫০ চনৰ ২৩ মাৰ্চত বিশ্ব বতৰ বিজ্ঞান সংস্থা প্ৰতিষ্ঠাৰ সিদ্ধান্ত কাৰ্যকৰী হোৱাটো উদযাপন কৰাৰ বাবে বতৰ বিজ্ঞান সংস্থাসমূহে দিৱস পালন কৰি আহিছে। বিশ্বজুৰি বতৰ সম্পৰ্কে সজাগতা সৃষ্টি আৰু সামুহিক কল্যাণৰ হকে কাম কৰাৰ ক্ষেত্ৰত বতৰ বিজ্ঞান সংস্থাসমূহৰ গুৰুত্ব উপলব্ধি কৰোৱাৰ বাবে এই দিৱস পালন কৰা হয়। এই দিৱসৰ মূল বিষয়সমূহে বতৰ, জলবায়ু আৰু পানী সম্পৰ্কীয় সমস্যাসমূহত আলোকপাত কৰে। বিশ্ব বতৰ বিজ্ঞান সংস্থাৰ সচিব প্ৰধান চেলেস্টে ছাউলোৱে এই দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত কয়, যে প্ৰতিটো বতৰ সম্পৰ্কীয় আগজাননী সংস্থাৰ আন্তঃৰাষ্ট্ৰীয় নেটৱৰ্কৰ সমন্বিত প্ৰচেষ্টাৰ জৰিয়তে লক্ষ লক্ষ পৰ্যবেক্ষণৰ সহায় লোৱা হয়।

ooooo

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি শ্ৰীলংকাৰ সংসদীয় প্ৰতিনিধি দলক সাক্ষাৎ কৰে। প্ৰতিনিধি দলটোক আন্তঃগাথনি আৰু কৌশলগত বিষয়ত তদাৰকী সমিতিৰ অধ্যক্ষ এছ এম মাৰিক্কাৰে নেতৃত্ব দিয়ে। লোকসভাৰ অধ্যক্ষগৰাকীয়ে সামাজিক মাধ্যমযোগে ভাৰত আৰু শ্ৰীলংকাৰ মাজত গভীৰভাৱে শিপাই থকা সভ্যতাবাদী সম্পৰ্ক গণতান্ত্ৰিক মূল্যবোধৰ ভাগবতৰা আৰু শক্তিশালী অংশীদাৰিত্বৰ কথা প্ৰকাশ কৰে। গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহক শক্তিশালী উত্তম পদ্ধতিসমূহ ভাগ বতৰা কৰিবলৈ বিধায়িনী দলসমূহৰ মাজত গাথনিগত আদান প্ৰদানৰ গুৰুত্ব আৰোপ কৰি দ্বিপাক্ষিক সম্পৰ্কৰ এক গুৰুত্বপূৰ্ণ স্তম্ভ হিচাপে সংসদীয় সহযোগিতাক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। শ্ৰীবিৰলাই সংসদীয় কাৰ্যকলাপ বৃদ্ধিৰ ক্ষেত্ৰত উদ্ভাৱন আৰু প্ৰযুক্তিৰ ক্ৰমবৰ্ধমান ভূমিকাৰ

ওপৰতো আলোকপাত কৰে। তেওঁ সামৰ্থ বিকাশ আৰু প্ৰতিষ্ঠানিক সংযোগৰ জৰিয়তে সহযোগিতা সম্প্ৰসাৰণৰ পাৰস্পৰিক আগ্ৰহৰ কথা উল্লেখ কৰে। এনে সংযোগে সংসদীয় সম্পৰ্ক আৰু অধিক গভীৰ কৰি তুলি ভাৰত-শ্ৰীলংকাৰ সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত শ্ৰীবিৰলাই আস্থা প্ৰকাশ কৰে। অধ্যক্ষগৰাকীয়ে প্ৰতিনিধি দলটোক দেশত এক উৎপাদনশীল আৰু স্মৰণীয় অৱস্থানৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০

আজি বিশ্ব ভালুক দিৱস। ভালুকৰ অবৈধ বেপাৰ ৰোধ তথা  ক্ৰমাগতভাৱে হ্ৰাস পাই অহা ইয়াৰ বাসস্থান সংৰক্ষণৰ জৰিয়তে আঠোটা প্ৰজাতিৰ ভালুকৰ সংৰক্ষণৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে ২৩ মাৰ্চ দিনটো বিশ্ব ভালুক দিৱস হিচাপে পালন কৰি অহা হৈছে। এই দিৱসৰ জৰিয়তে জলবায়ু পৰিৱৰ্তন আৰু বনাঞ্চল ধ্বংসৰ ফলত এই প্ৰাণীবিধৰ জীৱনলৈ অহা ভাবুকিৰ প্ৰতি সকলোকে সজাগ কৰাৰ প্ৰয়াস কৰা হৈছে।

এই দিৱস উপলক্ষে পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চৰকাৰে বৈজ্ঞানিক ভিত্তিক গৱেষণা, সম্প্ৰদায়ৰ অংশগ্ৰহণ, ভালুকৰ সৈতে সংঘাট হ্ৰাস কৰাত মনোনিবেশ কৰিছে বুলি মন্তব্য কৰে। তেওঁ কয় যে প্ৰজেক্ট শ্লট বিয়েৰ পদক্ষেপে সমগ্ৰ ভাৰতৰ বৈচিত্ৰময় পৰিবেশত  সুষম সহাৱস্থানৰ পথ প্ৰশস্ত কৰিছে। তেওঁ লগতে কয় যে চৰকাৰে  বন্যপ্ৰাণীৰ সুৰক্ষা আৰু সংৰক্ষণ অব্যাহত ৰাখিছে।

০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰতি অটল দায়বদ্ধতাৰ প্ৰশংসা কৰে। নতুন দিল্লীত এখন সংবাদ মেলত শ্ৰীচৌহানে প্ৰধানমন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰী হিচাপে ৮ হাজাৰ ৯৩১ দিন কাৰ্যভাৰ গ্ৰহণ কৰি দেশৰ আটাইতকৈ দীৰ্ঘদিনীয়া চৰকাৰৰ মুৰব্বী হিচাপে কাম কৰাৰ কথা প্ৰকাশ কৰে। তেওঁ দৃঢ়তাৰে মোদী ডাঙৰীয়াৰ বাবে জাতি সৰ্বোচ্চ আৰু জনসাধাৰণৰ সেৱক বুলি প্ৰকাশ কৰে।

০০০০০

বিজেপি সাংসদ ৰাজীৱ প্ৰতাপ ৰুদীয়ে আজি লোকসভাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পশ্চিম এছিয়াৰ সংকটৰ বাবে যিকোনো পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ ভাৰত সাজু বুলি প্ৰকাশ কৰে। আকাশবাণী বাতৰি বিভাগৰ সৈতে হোৱা কথা বতৰাত শ্ৰীৰুদীয়ে ভাৰতে হৰমুজ জলদ্বীপত কোনো বাধা গ্ৰহণ নকৰে বুলি প্ৰধানমন্ত্ৰীয়ে কৰা মন্তব্যক উল্লেখ কৰে। আনহাতে, বিজেপি সাংসদ তেজস্বী সূৰ্য্যই লোকসভাত আজি দেশক পশ্চিম এছিয়াৰ সংকট সন্দৰ্ভত অতি বিশদ আৰু আশ্বস্তকাৰী উত্তৰ দিয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক প্ৰশংসা কৰে। তেওঁ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ সাধাৰণ মানুহক ভাৰতৰ শক্তি সুৰক্ষিত হৈ আছে বুলি কৰা মন্তব্যকো উল্লেখ কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ